য়াগনিক, ক্রিকেটাৰ ৰোহিত শৰ্মা অন্যতম। গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যা চৰকাৰে ২০২৬ বৰ্ষৰ বাবে ৫টা পদ্ম বিভূষণ বঁটাকে ধৰি মুঠ ১৩১টা পদ্ম বঁটাৰ বাবে নিৰ্বাচিত ব্যক্তিৰ নাম ঘোষণা কৰিছিল। উল্লেখযোগ্য যে কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্রিক, বাণিজ্য আৰু উদ্যোগ, সাহিত্য আৰু শিক্ষা, ক্রীড়া তথা অসামৰিক সেৱা আদি বিভিন্ন ক্ষেত্ৰত উল্লেখনীয় অৱদানৰ বাবে প্ৰতিবছৰে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান হিচাপে এই পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাত নতুনকৈ ৰেচন কাৰ্ড প্ৰস্তুত কৰাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত ভিৰ নকৰিবলৈ ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা শাখাৰ পৰা জনসাধাৰণলৈ আহ্বান জনাইছে। বিগত কিছুদিন ধৰি নতুন ৰেচন কাৰ্ডৰ বাবে জনসাধাৰণে বিশেষকৈ মহিলাসকলে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা শাখাত আবেদন কৰিবলৈ সমাগম হোৱা পৰিলক্ষিত হৈছে। নতুন ৰেচন কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কোনো আনুষ্ঠানিক নিৰ্দেশনা বৰ্তমানলৈ জাৰি কৰা নাই বুলি বিভাগৰ তৰফৰ পৰা জনসাধাৰণক স্পষ্ট কৰি দিয়া হৈছে যদিও বহুলোকে কাৰ্যালয়ৰ সন্মুখত অযথা ভিৰ কৰি দৈনন্দিন বিভাগীয় কাম-কাজ পৰিচালনাত বাধাৰ সৃষ্টি কৰিছে। অৱশ্যে ৰেচন কাৰ্ড থকা হিতাধিকাৰীসকলে নিজৰ নাম স্থানান্তৰ বা সংশোধনৰ দৰে কামসমূহৰ বাবে আবেদন দাখিল কৰিব পাৰিব। হাটশিঙিমাৰী ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা শাখাৰ পৰিদৰ্শক বিনয়ম কৃষ্ণ শৰ্মাই এইদৰে কয়।

**বাইট (বিনয়ম কৃষ্ণ শৰ্মা)**

০০০০০০

ডিব্ৰুগড় জিলাৰ দুলীয়াজানত মাদক দ্ৰব্য বিৰোধী অভিযান চলাই আৰক্ষীয়ে কালি বুজন পৰিমাণৰ ভাং জব্দ কৰিবলৈ সমৰ্থ হয়। দুলীয়াজান আৰক্ষীয়ে চলোৱা এই অভিযানত ৰে'ল গেটৰ সমীপৰ ইন্দ্ৰপুৰী গাঁৱৰ জান বৰুৱা নামৰ এজন লোকক আটক কৰাৰ লগতে লোকজনৰ পৰা প্ৰায় ডেৰ কিলোগ্ৰাম ওজনৰ ভাং জব্দ কৰে। অভিযুক্তৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

মাজুলী ওপৰ সোণোৱাল কাংকান ক্লাবৰ উদ্যোগত আৰু প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সহযোগত প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা ২০২৬ আৰম্ভ হৈছে। মাজুলীৰ বিশিষ্ট শিক্ষাবিদ ড০ আনন্দ হাজৰিকাই শুভাৰম্ভ কৰা উদ্বোধনী খেলখন কাৰছাং ফুটবল একাদশ আৰু ডি জে ফুটবল একাদশৰ মাজত অনুষ্ঠিত হয়। মুঠ ১৬টা দলৰ মাজত হ'বলগীয়া এই প্ৰতিযোগিতাৰ খেলসমূহ উপভোগ কৰিবলৈ ভালেসংখ্যক দৰ্শকৰ আগমন হোৱা পৰিলক্ষিত হৈছে। কাংকন চাপৰি খেলপথাৰত চলি থকা এই প্ৰতিযোগিতা অহা ১২ জুলাইত অন্ত পৰিব। এই সন্দৰ্ভত কাংকান ক্লাবৰ এগৰাকী বিষয়ববীয়াই এইদৰে কয় –

বাইট

০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছাণ্টা ক্লাৰাত অনুষ্ঠিত গ্ৰুপ-জেৰ এখন খেলত আজি আলজেৰিয়াই জৰ্ডানক ২-১ গ'লত পৰাভূত কৰে। নিউয়ৰ্ক ষ্টেডিয়ামত আজি হোৱা গ্ৰুপ-আইৰ এখন খেলত ন'ৰ্ৱেই ছেনেগালক ৩-২ গ'লত পৰাস্ত কৰি ৰাউণ্ড থাৰ্টি-টুত প্ৰৱেশ কৰে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ আৰ্লিংটনত যোৱা নিশা হোৱা গ্ৰুপ-জেৰ এখন খেলত আৰ্জেণ্টিনাৰ বিৰুদ্ধে অষ্ট্ৰিয়া ২-০ গ'লত পৰাস্ত পৰাস্ত হয়। এই জয়ৰ জৰিয়তে আৰ্জেণ্টিনা ৰাউণ্ড থাৰ্টি-টুত প্ৰৱেশ কৰে।

